জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭৪/২০২২**

# অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিচাসমূহৰ ভৱিষ্যৎ কৰ্মপন্থা নিৰূপণ সন্দৰ্ভত বৈঠক মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এখন বৈঠকত অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিচাসমূহৰ সন্মুখত আহি পৰা প্ৰত্যাহ্বান আৰু অনাগত দিনত ল'বলগীয়া পদক্ষেপৰ বিষয়ে অসম চাহ মজদুৰ সংঘকে ধৰি অন্যান্য অংশীদাৰসকলৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰে।

এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে অসম চাহ নিগমৰ অধীনস্থ ৰুগ্ন বাগিচাসমূহ পৰিচালনাৰ ক্ষেত্ৰত আহি পৰা অসুবিধাৰ পৰিপ্ৰেক্ষিতত এই চাহ বাগিচাসমূহ ব্যক্তিগত প্ৰতিষ্ঠানক লীজতহে দিয়া হ'ব, বিক্ৰী কৰা নহয় আৰু বাগিচাসমূহৰ মালিকীস্বত্ত্ব অসম চাহ নিগমৰ হাততে থাকিব। বাগিচাসমূহ লীজত লৈ পৰিচালনাৰ দায়িত্ব লোৱা নতুন কৰ্তৃপক্ষই যদি বাগিচাসমূহৰ কৰ্মচাৰী তথা কৰ্মীসকলৰ প্ৰাপ্য আদায় দিয়াত ব্যৰ্থ হয় তেন্তে ৰাজ্য চৰকাৰে তেনে বাগিচাসমূহ পৰিচালনাৰ দায়িত্ব ওভতাই আনিব বুলিও মুখ্যমন্ত্ৰীয়ে উপস্থিত অংশীদাৰসকলক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চাহ নিগমৰ পৰা ব্যক্তিগত প্ৰতিষ্ঠানক লীজলৈ দিয়াৰ সময়ছোৱাত চাহ বাগিচাসমূহত কৰ্মৰত চাহ শ্ৰমিকসকলৰ অধিকাৰ আৰু প্ৰাপ্য যাতে সুৰক্ষিত হৈ থাকে সেয়া সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে একোখনকৈ তিনিজনীয়া সমিতি গঠন কৰিব।

বৈঠকত চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ, অসম চাহ নিগম লিমিটেডৰ অধ্যক্ষ তথা বিধায়ক ৰাজদ্বীপ গোৱালা, অসম চাহ মজদুৰ সংঘৰ সাধাৰণ সম্পাদক তথা বিধায়ক ৰূপেশ গোৱালাৰ উপৰি ভাৰতীয় চাহ মজদুৰ সংঘ, অসম চাহ কৰ্মচাৰী সংঘ আৰু ভাৰতীয় চাহ কৰ্মচাৰী ইউনিয়ন, বৰাকভেলীৰ প্ৰতিনিধিবৰ্গৰ লগতে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২২/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in